অধ্যায় ২

দ্বিতীয় পৰিচ্ছেদ

# জ্যোতিৰাও ফুলে (১৮২৭-১৮৯০)
# [Jyotirao Phule (1827-1890)]

জ্যোতিৰাও গোবিন্দৰাও ফুলে মানুহৰ মাজত মহাত্মা জ্যোতিবা ফুলে হিচাবে জনাজাত আছিল। মহাৰাষ্ট্ৰৰ চাতাৰা জিলাৰ এটা নিম্নজাতি (মালি)-ৰ পৰিয়ালত ১৮২৭ চনৰ ১১ এপ্ৰিলত জ্যোতিৰাও ফুলেৰ জন্ম হৈছিল। তেওঁৰ দেউতাক এজন শাক-পাঁচলি বিক্ৰী কৰা সৰু ব্যৱসায়ী আছিল। ফুলেৰ ৯ মাহ বয়সতেই মাকৰ মৃত্যু হৈছিল। প্ৰাথমিক শিক্ষা শেষ হোৱাৰ পাছতেই ফুলেৰ স্কুলীয়া শিক্ষা অন্ত পৰিছিল কাৰণ তেওঁ দেউতাকক তেওঁৰ কামত সহায় কৰিবলগা হৈছিল। ফুলেৰ ১২ বছৰ বয়সতেই বিয়া হৈছিল। ফুলেৰ বুদ্ধিমত্তাৰ পৰিচয় পাইছিল তেওঁলোকৰ প্ৰতিবেশীয়ে। সেয়েহে প্ৰতিবেশীয়ে (এজন মুছলমান আৰু আনজন খ্ৰীষ্টান) ফুলেৰ দেউতাকক বাধ্য কৰাই ফুলেক স্থানীয় স্কটিছ মিছন হাইস্কুলত নাম লগাই দিয়ে। ১৮৪৭ চনত ফুলেই হাইস্কুলীয়া শিক্ষা সাং কৰে। ১৮৪৮ চনৰ এক ঘটনাই ফুলেৰ জীৱনত গভীৰ প্ৰভাৱ পেলায়। এই ঘটনাৰ দ্বাৰাই জীৱনত প্ৰথমবাৰৰ বাবে ফুলে নিম্নজাতিৰ ল'ৰা হোৱা হেতু লাঞ্চনাৰ বলী হ'ব লগা হৈছিল। জাতিভেদ প্ৰথাৰ দ্বাৰা সৃষ্ট সামাজিক বিভেদ প্ৰথমবাৰলৈ লক্ষ্য কৰিছিল ফুলেই। থমাচ পেনৰ অধিকাৰৰ ওপৰত লিখা গ্ৰন্থৰ দ্বাৰা ফুলে যথেষ্ট প্ৰভাৱান্বিত হৈছিল আৰু ইয়ে ফুলেক ভাৰতীয় সামাজিক ব্যৱস্থা আৰু জাতিপ্ৰথাৰ প্ৰতি সন্দীহান কৰি তুলিছিল আৰু ইয়াৰ কঠোৰ সমালোচনাত ব্ৰতী হৈ পৰিছিল।

## সমাজ সংস্কাৰক হিচাবে জ্যোতিবা ফুলে
## [ JYOTIBA PHULE AS SOCIAL REFORMER ]

আধুনিক ভাৰতবৰ্ষত জ্যোতিবা ফুলেই হৈছে প্ৰথম ব্যক্তি যি জাতিভেদ প্ৰথাৰ দ্বাৰা জৰ্জৰিত আৰু নিপিড়িত মানুহক মুক্তি দিয়াৰ হেতু আন্দোলন গঢ়ি তুলিছিল। তেওঁ জাতি নিৰ্বিশেষে নাৰী মুক্তিৰ আন্দোলনো একেলগেই চলাই গৈছিল। ৰামমোহন ৰায়, দয়ানন্দ সৰস্বতী আৰু বিবেকানন্দ সমাজ সংস্কাৰক হিচাবে উচ্চখাপৰ সাংস্কৃতিক জাতীয়তাবাদৰ ধ্বজাবাহক আছিল। ইয়াৰ বিপৰীতে ফুলে আছিল ভাৰতত অতীজৰে পৰা নিপিড়িত হৈ অহা মানৱসত্তাৰ মুক্তিৰ ধ্বজাবাহক। ফুলে বুদ্ধদেৱ আৰু কবীৰৰ সাম্যভাবী দৰ্শনৰ দ্বাৰা বাৰুকৈ উদ্বুদ্ধ হৈছিল। তেওঁ পাশ্চাত্যৰ উদাৰবাদী গণতান্ত্ৰিক আদৰ্শ আৰু সামাজিক বিপ্লৱৰ প্ৰশংসক আছিল। জাতিভেদ প্ৰথাৰ বিৰোধিতা কৰি তেওঁ এক সামাজিক-সাংস্কৃতিক বিশ্লেষণ আগবঢ়াইছিল। তেওঁ ব্ৰাহ্মণবাদক এক মতাদৰ্শ আৰু অনুষ্ঠান হিচাবে গণ্য কৰিছিল যিয়ে জ্ঞান আৰু ক্ষমতা আহৰণত এক বিশেষ শ্ৰেণীৰ একচেতীয়া অধিকাৰক সমৰ্থন কৰে আৰু আন আন শ্ৰেণীৰ মানুহক ইয়াৰ পৰা বঞ্চিত কৰে। লগতে ই সমাজত জাতিভিত্তিক বিভাজনবো সৃষ্টি কৰে। সেয়েহে ফুলেই ব্ৰাহ্মণবাদৰ মতাদৰ্শক নশ্যাৎ কৰাটো আৱশ্যক বুলি যুক্তি আগবঢ়াইছিল। এনে কৰিলেহে নিম্নশ্ৰেণীৰ মানুহৰ মুক্তিৰ পথ প্ৰশস্ত হ'ব। ফুলেই ভাবিছিল যে যদিহে নাৰী আৰু নিম্নবৰ্গৰ মানুহে শিক্ষা আহৰণৰ সুবিধা নাপায় তেন্তে তেওঁলোকৰ সাবলীকৰণ সম্ভৱ নহ'ব। সেয়েহে তেওঁ পুণা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বিভিন্ন বিদ্যালয় স্থাপনৰ দিহা কৰিছিল। ফুলেই ব্ৰাহ্মণবাদৰ জাতিভেদী মনোভাৱক উদঙাই দিছিল। তেওঁ খ্ৰীষ্টান মিছনাৰীসকলৰ বিদ্যালয় স্থাপন কাৰ্যক প্ৰশংসা কৰিছিল।

জ্যোতিবা ফুলেই বিশ্বাস কৰিছিল যে সমতা, ন্যায় আৰু ভাতৃত্ববোধেৰে উদ্বুদ্ধ এখন সমাজ গঢ়িবলৈ হ'লে পুৰাণিকলীয়া অসমতাপূৰ্ণ আৰু শোষণভিত্তিক সমাজব্যৱস্থাক ওফৰাব লাগিব। পুৰণি সমাজব্যৱস্থাৰ নৈতিক ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰিব লাগিব। ফুলেই ইতিপূৰ্বৰ পৰা প্ৰচলিত অযুক্তিকৰ সামাজিক ৰীতি-নীতিৰ বিৰুদ্ধে থিয় দিছিল। যি ৰীতি-নীতিৰ আধাৰত নাৰী, শুদ্ৰ আৰু অতিশুদ্ৰ জাতিৰ মানুহক শোষণ কৰা হৈছিল সেইবোৰক তেওঁ খণ্ডন কৰিছিল। তেওঁ নাৰী, শুদ্ৰ আৰু অতি শুদ্ৰসকলৰ অৰ্থনৈতিক আৰু সামাজিক প্ৰতিবন্ধকসমূহ আঁতৰ কৰাৰ চেষ্টা